O.C

3 (Sem–6/CBCS) ASM HE 1

2024

ASSAMESE

(Honours Elective)

Paper : ASM–HE–6016

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱা কোন যুগৰ সাহিত্যিক?

(খ) 'মোৰ জীৱন সোঁৱৰণ' আত্মজীৱনীখন কোনখন আলোচনীত প্ৰকাশ পাইছিল?

(গ) বেজবৰুৱাৰ 'সুৰভি' গল্পপুথিখন কোন চনত প্ৰকাশ পাইছিল?

(ঘ) বেজবৰুৱাই পঢ়া ইংৰাজী স্কুলখনৰ 'টেপু মাষ্টৰ' বুলি খ্যাত শিক্ষকজনৰ নাম কি আছিল?

(ঙ) বেজবৰুৱাই কাৰ সহযোগী হৈ কাঠৰ ব্যৱসায় কৰিছিল?

(চ) ‘পদুম কুঁৱৰী’ কোন শ্ৰেণীৰ উপন্যাস ?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাই কিমান চনত অসম সাহিত্য সভাৰ সভাপতি হৈছিল ?

(জ) বেজবৰুৱাই ৰচনা কৰা এখন জীৱনী পুথিৰ নাম লিখা।

(ঝ) বেজবৰুৱাৰ ‘বীণ বৰাগী’ কবিতাটো কোনখন কাব্যপুথিৰ অন্তৰ্গত ?

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাক ‘ৰসৰাজ’ উপাধি কোনে দিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) বেজবৰুৱাই ৰচনা কৰা দুখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

(খ) বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখনৰ নাম কি আৰু এইখন কিমান চনত প্ৰথম প্ৰকাশ হৈছিল ?

(গ) ‘মোৰ জীৱন সোঁৱৰণ’ত উল্লেখ থকা অনুসৰি অসমত ল’ৰা-ছোৱালী উপজিলে কি কৰিছিল ?

(ঘ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত কোন দুখন পুথিৰ উদ্ধৃতি বেজবৰুৱাৰ ‘তত্ত্বকথা’ গ্ৰন্থত পোৱা যায় ?

(ঙ) ‘মলক গুইন গুইন’ গল্পত সাজতোলাৰ দুই পুত্ৰৰ নাম কি কি ?

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) বেজবৰুৱাৰ গদ্যৰীতি

(খ) আত্মজীৱনী আৰু ‘মোৰ জীৱন সোঁৱৰণ’

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্য প্ৰতিভা

(ঘ) ‘মলক গুইন গুইন’ গল্পত হাস্যৰস

(ঙ) ‘বাপিৰাম’ৰ চৰিত্ৰগত বৈশিষ্ট্য

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ বিদ্যাৰম্ভ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ লিখি ‘মালতী’ কবিতাৰ মাজেৰে সেই বৈশিষ্ট্যসমূহ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) ‘‘লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত সাধাৰণ মানুহৰ সুখ-দুখ, আনন্দ-বিষাদ, আবেগ-অনুভূতি আদি অতি সহৃদয়তাৰে প্ৰকাশ পাইছে’’—‘বাপিৰাম’ গল্পৰ আধাৰত ব্যাখ্যা কৰা।

(গ) বেজবৰুৱাৰ ৰচনাত বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঘ) অসমীয়া সাহিত্য জগতলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে লিখা।

(ঙ) 'তত্ত্বকথা'ত উল্লেখ কৰা ঈশ্বৰ প্ৰাপ্তিৰ চাবিটা মাৰ্গৰ বিষয়ে বহলাই আলোচনা কৰা।

(চ) 'মোৰ জীৱন সোঁৱৰণ'ত উল্লিখিত লক্ষ্মীনাথ বেজবৰুৱাই কলিকতালৈ পঢ়িবলৈ যোৱাৰ কাহিনী তোমাৰ ভাষাত বৰ্ণনা কৰা।

(ছ) লিখা পঢ়া শিকি, বিষয় বাব পাই চাহাব হ'বলৈ বিচৰা অসমীয়াৰ মিছা ভেম আৰু ভণ্ডামিৰ চিত্ৰ 'মলক গুইন গুইন' গল্পত কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(জ) 'মোৰ জীৱন সোঁৱৰণ'ত উল্লেখ কৰা বেজবৰুৱাৰ দৈনিক কাৰ্য-তালিকাখনৰ বিষয়ে লিখা।

* * *